# বিদ্যালয় সমূহৰ দুৰ্যোগ ব্যৱস্থাপনা সমিতি

## School Disaster Management Commitee

'দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমণৰ কৌশল আৰু পদ্ধতি সমূহ উন্নয়ন আৰু সামৰ্থবৰ্ধন প্ৰকল্প অসম'ৰ অধীনত প্ৰকাশিত এখনি হাতপুথি

**গ্ৰাম্য বিকাশ মঞ্চ**

**নলবাৰী ঃ অসম**

# বিদ্যালয় সমূহৰ দুৰ্যোগ ব্যৱস্থাপনা সমিতি

## School Disaster Management Commitee

### ১। আগকথা ঃ-

গ্ৰাম্য বিকাশ মঞ্চই ৰূপায়িত কৰা দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ আশংকা প্ৰশমণৰ কৌশল আৰু পদ্ধতি সমূহ উন্নয়ন আৰু সামৰ্থবৰ্ধন প্ৰকল্প অসমৰ অধীনত শিক্ষানুষ্ঠানত হব পৰা সকলোধৰণৰ দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰতিখন বিদ্যালয়তে একোখনকৈ বিদ্যালয় সমূহৰ দুৰ্যোগ ব্যৱস্থাপনা সমিতি গঠন কৰিবলৈ বিচৰা হৈছে। এই সমিতিখনে বিদ্যালয় সমূহত হব পৰা যি কোনো প্ৰাকৃতিক বা মানৱসৃষ্ট দুৰ্যোগৰ পূৰ্ব-প্ৰস্তুতি, সাৱধানতা আৰু সজাগতাৰ জৰিয়তে বিদ্যালয় সমূহৰ কণ কণ শিশু সকলৰ জীৱন সুৰক্ষা দিয়াৰ লগতে ক্ষয়-ক্ষতিৰ পৰিমাণ হ্ৰাস কৰিব বিচৰা হৈছে ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱক অভিভাৱিকাক একত্ৰিত কৰি তেওঁলোকৰ মাধ্যমেৰে গাওঁবাসীক দূৰ্যোগৰ পূৰ্বপ্ৰস্তুতি কৰি তেওঁলোকৰ মাধ্যমেৰে গাওঁবাসীক দুৰ্যোগৰ পূৰ্ব প্ৰস্তুতিৰ সাৱধানতা আৰু সজাগতা আনিবলৈ বিচৰা হৈছে।

### ২। বিদ্যালয় সমূহৰ দুৰ্যোগ ব্যৱস্থাপনা সমিতি কিয় আৰু কেনেকৈ গঠন কৰা হয়?

দুৰ্যোগ হৈছে যি কোনো আকস্মিক পৰিঘটনাৰ ফলত ভূ-পৃষ্ঠ আৰু প্ৰাণীজগতৰ বিস্তৰ ক্ষতিসাধন হোৱা এক পৰিঘটনা । দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰচলিত পদ্ধতি বা নীতিত প্ৰায়ে প্ৰাপ্ত বয়স্ক সকলক সামৰি লোৱা দেখা

যায়। এই ক্ষেত্রত কণ কণ শিশু সকলৰ প্ৰয়োজনীয়তাক প্ৰায়ে এৰাই চলা হয়। দুৰ্যোগ ব্যৱস্থাত কণ কণ ছাত্ৰ-ছাত্ৰী সকলক পৃথককৈ ভবা উচিত। কাৰণ আমি কেতিয়াবা ভাবিছোনে আমাৰ কণ কণ ছাত্ৰ-ছাত্ৰী সকল বিদ্যালয় গৃহটোত কিমান নিৰাপদ ? যিটো গৃহত ছাত্ৰ-ছাত্ৰী সকল দিনটোৰ অধিকাংশ সময় অভিভাৱকৰ দৃষ্টিৰ বাহিৰত থাকে। হঠাৎ অহা ভূমিকম্প বা তেনে কোনো আকস্মিক দুৰ্যোগৰ সময়ত ছাত্ৰ-ছাত্ৰী সকলে কি কৰিব ? শিক্ষক-শিক্ষয়িত্ৰী সকলে কি কৰিব ? শিক্ষক-শিক্ষয়িত্ৰী সকলো বাৰু কিমান নিৰাপদ ? এনে বহুতো আকস্মিক দূৰ্যোগৰ সময়ত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী সকলক নিৰপত্তা তথা বিপদৰ সময়ত লব লগা সকলো সাৱধানতাৰ প্ৰশিক্ষন তথা সজাগতা অনাৰ প্ৰয়োজনতে প্ৰতিখন বিদ্যালয়তে " বিদ্যালয় সমূহৰ দুৰ্যোগ ব্যৱস্থাপনা সমিতি" বা (S.D.M.C.) নামেৰে এখন সমিতি গঠন কৰিব বিচৰা হৈছে।

## ৩। বিদ্যালয় সমূহৰ দুৰ্যোগ ব্যৱস্থাপনা সমিতিৰ দায়িত্ব আৰু কাৰ্যৱলী ঃ

এই সমিতিখনৰ বাবে ৰখা কেইটামান কাৰ্যৱলী তলত উল্লেখ কৰা হ'ল ঃ

ক) বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দুৰ্যোগ সম্পৰ্কে সজাগতাৰ সৃষ্টি কৰা।

খ) বিদ্যালয়ৰ চাৰিওফালে থকা গাওঁ সমূহত হব পৰা সাম্ভাব্য দুৰ্যোগৰ বিষয়ে গাওঁবাসীক সজাগতা কৰা।

গ) দুৰ্যোগ বিষয়ক তথা উদ্ধাৰ কাৰ্য্যৰ সময়ে সময়ে বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন তথা অংশ গ্ৰহণ কৰা।

ঘ) দুৰ্যোগৰ সময়ত হব পৰা ক্ষয়-ক্ষতিৰ হ্ৰাসকৰণৰ বাবে ছাত্ৰ-

ছাত্ৰীৰ লগতে বিদ্যালয় কৰ্তৃপক্ষক বিভিন্নভাবে সহায় কৰা।

ঙ) দুৰ্যোগ প্ৰতিৰোধ কল্পে গ্ৰাম্য বিকাশ মঞ্চই ৰূপায়িত কৰা প্ৰকল্পটোত বিভিন্ন প্ৰকাৰে সহায় কৰা।

চ) দুৰ্যোগৰ সম্ভাৱনীয়তা থকা বিদ্যালয় গৃহ বা তেনে কোনো দুৰ্যোগৰ কাৰক হব পৰা যেনে মথাউৰি, পৰিবেশ প্ৰদূষণ কৰিব পৰা কল-কাৰখানা ইত্যাদি নিৰ্মাণ কৰা বন্ধ কৰা, মেৰামতিৰ বাবে উৰ্ধতন কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰা।

ছ) গাওঁ সমূহৰ দুৰ্যোগ প্ৰতিৰোধ সমিতি, গ্ৰাম্য বিকাশ মঞ্চ, স্থানীয় কৰ্তৃপক্ষ, চৰকাৰী বিভাগৰ লগত সমন্বয় ৰক্ষা কৰা।

জ) গৃহ নিৰ্মাণ, মথাউৰি ইত্যাদি নিৰ্মানৰ সময়ত দুৰ্যোগ প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় উপদেশ আৰু নিৰীক্ষন কৰা।

ঝ) দুৰ্যোগৰ পূৰ্বপ্ৰস্তুতি, সাৱধানতা, সজাগতা সম্পৰ্কে সভা-সমিতি অনুষ্ঠিত কৰা।

ঞ) সভা-সমিতি সমূহৰ সিদ্ধান্ত সমূহ সময়ে সময়ে গ্ৰাম্য বিকাশ মঞ্চ আৰু প্ৰয়োজন সাপেক্ষে চৰকাৰী কৰ্তৃপক্ষক অৱগত কৰা।

ট) দুৰ্যোগৰ সময়ত ক্ষতিগ্ৰস্ত হোৱা বিদ্যালয় গৃহ, চৌহদ ইত্যাদিৰ পুনৰ নিৰ্মাণ কৰিবলৈ কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰা।

ঠ) দুৰ্যোগৰ আগজাননী/সম্পৰ্কে সকলোকে খবৰ দিয়া।

ড) বিদ্যালয় চৌহদ তথা পাৰ্শ্বৱৰ্ত্তী অঞ্চলটো পৰিস্কাৰ পৰিচ্ছন্ন কৰি ৰখা।

ঢ) দুৰ্যোগত আক্ৰান্ত ছাত্ৰ-ছাত্ৰী সকলৰ মানসিকভাৱে উৎসাহ দিয়াৰ বাবে বিভিন্নধৰণৰ আমোদজনক কাৰ্যসূচীৰ আয়োজন কৰা।

## ৪। গঠন (Structure)

সমিতিখনক দুটা ভাগত বিভক্ত কৰা হব। ভাগ কেইটা হৈছে -

১) কেন্দ্ৰীয় সমিতি　　　২) উপ সমিতি

কেন্দ্ৰীয় সমিতিখনত সদস্য/সদস্যাৰ সংখ্যা ১৩ জনতকৈ অধিক হব নোৱাৰিব। সমিতিখন গঠন কৰোতে পুৰুষ আৰু মহিলাৰ ভাৰসাম্য বজাই ৰাখিব লাগিব। সমিতিখনৰ গঠন প্ৰণালী এনেধৰণৰ হব।

**সভানেত্ৰী**

⇩

**মুখ্য সমন্বয়ক** (বিদ্যালয়ৰ প্ৰধান শিক্ষক/শিক্ষয়িত্ৰী)

⇩

**পুৰুষ সহসমন্বয়ক (অভিভাৱক)**

- অভিভাৱক
- বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য
- ছাত্ৰ
- অভিভাৱক
- গাওঁবুঢ়া
- পঞ্চায়তৰ সদস্য/সদস্যা

**মহিলা সহ সমন্বয়ক (মাতৃ সন্মিলন)**

- গাওঁসমূহৰ দুৰ্যোগ প্ৰতিৰক্ষা সমিতিৰ প্ৰতিনিধি
- শিক্ষয়িত্ৰী
- ছাত্ৰী
- অভিভাৱিকা

ক) সমিতিৰ শীৰ্ষ আসনখন মহিলাৰ বাবে সংৰক্ষণ কৰা হব। তেখেত বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যা হব লাগিব।

খ) মুখ্য সমন্বয়কৰ আসনখন পুৰুষৰ বাবে সংৰক্ষণ কৰা হব। এই আসনখন বিদ্যালয়ৰ প্ৰধান শিক্ষক জনে অথবা তেখেতৰ অনুপস্থিতিত সহকাৰী শিক্ষক এজনে পূৰণ কৰিব লাগিব। প্ৰধান শিক্ষক গৰাকী মহিলা হলে সহকাৰী শিক্ষক গৰাকীয়ে এই পদ পূৰণ কৰিব লাগিব।

গ) সহ সমন্বয়ক দুজন ৰখা হব। এই আসন দুখন অভিভাৱক আৰু মাতৃ সন্মিলনৰ সদস্যা এগৰাকীৰ দ্বাৰা পূৰণ কৰা হব।

## উপ সমিতি ঃ

কেন্দ্ৰীয় সমিতিখনৰ উপৰিও প্ৰতিখন বিদ্যালয়তে চাৰিখনকৈ উপসমিতি গঠন কৰা হব। এই উপসমিতি কেইখন গঠন কৰাৰ মূল উদ্দেশ্য হৈছে দুৰ্যোগ সম্পৰ্কীয় যি কোনো কাৰ্যপন্থাতে কেন্দ্ৰীয় সমিতিখনক সহায় কৰা। ইয়াৰ উপৰিও প্ৰতিখন উপসমিতিকে এটা নিৰ্দিষ্ট দায়িত্ব অৰ্পন কৰা হব আৰু সেই দায়িত্ব অনুসৰি উপসমিতি কেইখনৰ নামাকৰণ কৰা হৈছে।

ক) প্ৰাথমিক চিকিৎসা উপসমিতি

খ) প্ৰাথমিক চিকিৎসা, উদ্ধাৰ আৰু সাহাৰ্য বিষয়ক অনুশীলন উপসমিতি

গ) আগতীয়া সতৰ্কীকৰণ উপসমিতি (পূৰ্বজাননী)

ঘ) দুৰ্যোগৰ ক্ষয়-ক্ষতি প্ৰশমণ কাৰ্য্যসূচী উপসমিতি।

ক) প্ৰাথমিক চিকিৎসা উপসমিতি ঃ এই সমিতিখনত এজন মূখ্য সমন্বয়কৰ লগতে চাৰিগৰাকী সদস্য/সদস্যা ৰখা হ'ব। মূখ্য সমন্বয়কৰ

দায়িত্ব যদি সম্ভৱ বিদ্যালয়খনৰ বিজ্ঞানৰ শিক্ষকজনক দিয়া উচিত। ইয়াৰ এগৰাকী মহিলা শিক্ষয়িত্ৰী, যদি সম্ভৱ হয় সহ পাঠ্যক্ৰমৰ লগত জড়িত মহিলা শিক্ষয়িত্ৰী এগৰাকী ৰাখিলে ভাল হয়। বাকী তিনিগৰাকী সদস্য ছাত্ৰ-ছাত্ৰীৰ ফালৰ পৰা বাচনি কৰিব লাগে। এওলোকৰ প্ৰধান কাম হব দুৰ্যোগৰ সময়ত ছাত্ৰ-ছাত্ৰী বা ব্যক্তিৰ মনত সোমোৱা যি কোনো ভিতি বিহ্বলতা খিনি আতৰাই দুৰ্যোগত পতিত ব্যক্তি সকলক সাহাৰ্য প্ৰদান কৰা । দুৰ্যোগৰ সময়ত হোৱা সাধাৰণ ক্ষয়-ক্ষতি বা আঘাতৰ লব লগা প্ৰাথমিক চিকিৎসা ইত্যাদিৰ প্ৰশিক্ষণ তথৰ যাৱতীয় সা-সামগ্ৰী সাজু কৰি ৰখাই এই উপসমিতি খনৰ প্ৰধান উদ্দেশ্য।

**খ) প্ৰাথমিক চিকিৎসা, উদ্ধাৰ আৰু সাহাৰ্য অনুশীলন উপ সমিতি ঃ** দুৰ্যোগৰ সময়ত লব লগা সাৱধানতা, প্ৰাথমিক চিকিৎসা, উদ্ধাৰ কাৰ্য ইত্যাদি সুকলমে কৰিবলৈ প্ৰতিখন বিদ্যালয়তে এটা উদ্ধাৰকাৰী দল গঠন কৰা হব আৰু সেই দলটোক Hazard Saftey Cadet Crops(HSCC) নামেৰে নামাকৰন কৰা হব। এই উপসমিতি খনে এই দলটোৰ কাৰ্যপন্থা তথা পৰিচালনা কৰাত সহায় কৰিব। দুৰ্যোগৰ সময়ত যাতে এই দলটোৱে কোনো খোকোজা নলগাকৈ নিজৰ কাৰ্য সম্পাদন কৰিব পাৰে তাৰ বাবে সদা-প্ৰস্তুত কৰি ৰখাই হৈছে। এই সমিতিখন গঠন কৰাৰ প্ৰধান উদ্দেশ্য। এই সমিতিখনক পৰিচালনা কৰিব বিদ্যালয়খনৰ শাৰিৰীক প্ৰশিক্ষক অথবা তেনে ধৰণৰ কামৰ লগত জড়িত শিক্ষক এগৰাকীয়ে । এই সমিতিখন উদ্ধাৰকাৰী গোটৰ দলপতি গৰাকী সদস্য হিচাপে লোৱা হব।

উপসমিতিৰ সদস্য সংখ্যা ঃ ৫ জনতকৈ অধিক নহব।

১। সমন্বয়ক

২। সদস্য চাৰিগৰাকী

ক) HSCC দলপতি

খ) আন তিনিগৰাকী ছাত্ৰ-ছাত্ৰী

**গ) আগতীয়া সতৰ্কীকৰণ উপসমিতি ঃ**

এই সমিতিখনৰ মুঠ সদস্য/সদস্যাৰ সংখ্যা ৫ গৰাকী হ'ব। সমিতিখনৰ গঠন প্ৰণালীটো এনে ধৰণৰ হ'ব -

ক) সমন্বয়ক খ) সদস্য/সদস্যা চাৰিগৰাকী

সমন্বয়ক গৰাকী বিদ্যালয়খনৰ এগৰাকী শিক্ষক বা শিক্ষয়িত্ৰী হ'ব লাগিব। বিদ্যালয়খনৰ কৰ্মচাৰী গোটৰ দুজনক সদস্য/সদস্যা হিচাপে ৰখা হ'ব আৰু বাকী দুজন সদস্য ছাত্ৰ/ছাত্ৰীৰ ফালৰ পৰা লোৱা হ'ব।

**দুৰ্যোগ সম্পৰ্কীয় কাৰ্যসূচী উপসমিতি ঃ** এই সমিতিখনৰো সদস্য সংখ্যা পাচঁ গৰাকী ৰখা হ'ব। সমিতিখনত সমন্বয়কৰ দায়িত্ব বিদ্যালয়খনৰ এগৰাকী শিক্ষক শিক্ষয়িত্ৰীক অৰ্পণ কৰা হ'ব। তেখেত বিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ পৰিচালক হ'লে সুবিধা হয়। ছাত্ৰ সভাৰ সম্পাদক আৰু উপ-সভাপতিজনক সদস্য হিচাপে ৰখা হ'ব। ইয়াৰ উপৰিও ছাত্ৰী জিৰণী কোঠাৰ সদস্যা আৰু সাহিত্য বিভাগৰ সম্পাদক গৰাকীক সদস্য হিচাপে ৰখা হ'ব। উপসমিতি খনৰ গঠন প্ৰণালী এনে ধৰণৰ -

ক) সমন্বয়ক খ) সদস্য চাৰিজন।

**দায়িত্ব ঃ-**

**মুখ্য সমন্বয়ক ঃ**

ক) মুখ্য সমন্বয়কৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হৈছে সমিতিখনে পালন কৰা সকলো কাৰ্য প্ৰণালী সুকলমে পৰিচালনা কৰিবলৈ সমিতিৰ সদস্য সকলৰ মাজত সু-সমন্বয় ৰক্ষা কৰা।

খ) বিদ্যালয় চৌহদত অনুষ্ঠিত কৰা দুৰ্যোগ প্ৰশমণ বিষয়ক যি কোনো কাম-কাজৰ তত্ত্বাৱধান কৰা।

গ) এমাহত অন্তত একোখনকৈ সমিতিখনৰ বৈঠক অনুষ্ঠিত কৰি সামগ্ৰিক পৰিবেশ সম্পৰ্কে পৰ্যালোচনা কৰি ভৱিষ্যত কাৰ্যপন্থা নিৰ্দ্ধাৰণ

কৰা।

ঘ) উপসমিতি কেইখনৰ কাৰ্য্যৰ তদাৰক তথা নিয়ন্ত্ৰন কৰা।

ঙ) গ্ৰাম্য বিকাশ মঞ্চ আৰু চৰকাৰী কৰ্তৃপক্ষৰ দুৰ্যোগ বিষয়ত যিকোনো কাম-কাজত সহায় সহযোগ আগবঢ়োৱা।

চ) দুৰ্যোগ বিষয়ত অৰ্থ-সাহাৰ্য্য, খাদ্য-সামগ্ৰী ইত্যাদিৰ বিতৰন তথা হিচাপ ৰখা।

ছ) সকলোধৰণৰ আৰ্থিক বিষয়ক দায়িত্ব মূখ্য সমন্বয়কৰ ওচৰত থাকিব আৰু দায়বদ্ধ হব।

জ) মূখ্য সমন্বয়কবোৰক ওপৰত উল্লেখ কৰা দায়িত্ব সমুহৰ উপৰিও যিকোনো জৰুৰীভাবে কৰিবলগীয়া কাম-কাজৰ দায়িত্ব সমিতিখনৰ হৈ পালন কৰিব লাগিব।

## সহঃ সমন্বয়কৰ দায়িত্ব ঃ

ক) সহ সমন্বয়কৰ প্ৰধান আৰু প্ৰথম কৰ্তব্য হৈছে মুখ্য সমন্বয়কক সকলো কামতে সহায় সহযোগ কৰা।

খ) মুখ্য সমন্বয়কৰ অনুপস্থিতিত সহ সমন্বয়ক এগৰাকীয়ে দায়িত্ব পালন কৰিব।

গ) মহিলা সমন্বয়ক গৰাকীয়ে প্ৰাথমিক চিকিৎসা আৰু "দুৰ্যোগ প্ৰশমণ কাৰ্যসূচী" উপসমিতি দুখনৰ কাম কাজৰ তদাৰক কৰিব।

ঘ) পুৰুষ সমন্বয়ক গৰাকীয়ে 'উদ্ধাৰ কাৰ্য', প্ৰাথমিক চিকিৎসা, আগতীয়া সতৰ্কীকৰণ উপসমিতি দুখনৰ কাম কাজৰ তদাৰক কৰিব।

ঙ) সমন্বয়ক অনুপস্থিতিত যি কোনো এজনে সভাৰ সিদ্ধান্তমৰ্মে সমন্বয়কৰ দায়িত্ব লব।

## উপসমিতিৰ দায়িত্ব ঃ

উপসমিতি কেইখন অকল গঠন কৰাটো লক্ষ্য হোৱা উচিত নহয়,

উপসমিতি কেইখনে যাতে বাস্তৱ ক্ষেত্রত কার্যক্ষম হয় তাৰ প্ৰতি লক্ষ্য ৰাখি কেইটামান দায়িত্ব বান্ধি দিয়া হৈছে।

ক) প্ৰতিখন উপসমিতিয়েই যথা সম্ভৱ গোটেই বছৰ জুৰি একোখনকৈ কাৰ্যপন্থা নিৰ্দ্ধাৰণ কৰি লব লাগিব।

খ) প্ৰাথমিক চিকিৎসা উপসমিতিয়ে শিশু সকলৰ মানসিক শক্তি বৃদ্ধিৰ বাবে সময়ে সময়ে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিব।

গ) প্ৰাথমিক চিকিৎসা বিষয়ত বিভিন্ন প্ৰশিক্ষন কাৰ্যসূচী আয়োজন কৰা।

ঘ) ছাত্ৰ-ছাত্ৰীসকলে প্ৰাথমিক চিকিৎসা, উদ্ধাৰ কাৰ্য্যত যাতে সহায় কৰিব পাৰে, তাৰবাবে প্ৰতিমাহত এবাৰকৈ অনুশীলন কাৰ্যসূচীৰ আয়োজন কৰিব লাগিব।

ঘ) বতৰৰ আগজাননী, জলবায়ুৰ পৰিবৰ্তন, ইত্যাদি আগতীয়াকৈ জনোৱাৰ বাবে আগতীয়াকৈ সতৰ্কীকৰণ উপসমিতিক দিয়া হয়।

ঙ) বিদ্যালয়ত দুৰ্যোগ প্ৰশমণ বিষয়ক বিভিন্ন কাৰ্যসূচী আয়োজন কৰা।

**৬। নিয়ন্ত্ৰণ/ব্যৱস্থাপনা ঃ**

বিদ্যালয় সমূহৰ দ্‌ৰ্যোগ ব্যৱস্থাপনা সমিতিখন গঠন কৰা প্ৰথম আৰু প্ৰধান উদ্দেশ্য হৈছে বিদ্যালয় তথা ইয়াৰ দাঁতিকাষৰীয়া গাওঁসমূহত হব পৰা যিকোনো দুৰ্যোগৰ সময়তে মানুহে সাহসেৰে মোকাবিলা কৰা, যাৰ জৰিয়তে সমাজত এখন স্থিতিস্থাপক সমাজ প্ৰতিষ্ঠা হয়। এই সমিতিখন যদিও গ্ৰাম্য বিকাশ মঞ্চৰ উদ্যোগত গঠন কৰা হব তথাপি ইয়াৰ কাৰ্যকলাপ সমূহ বিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত দায়বদ্ধ থাকিব। প্ৰকল্পৰ জৰিয়তে ৰূপায়িত হোৱা বিদ্যালয় উন্নয়নৰ বিভিন্ন কাম-কাজ তথা বিত্তীয় হিচাপ গ্ৰাম্য বিকাশ মঞ্চৰ লগতে এই সমিতিখনে ৰক্ষা কৰিব। দুৰ্যোগ ব্যৱস্থাপনাৰ

বাবে সমিতিখনে উপযুক্ত ভাবে বা প্ৰভাৱশালী ভূমিকা নললে এই সমিতিখন ভংগ কৰি দিয়া হব।

**কাৰ্যকাল ঃ**

১) এই সমিতিখনৰ কাৰ্যকাল এবছৰীয়া হব। বছৰেকীয়া অধিবেশনত সভাপতিজনে সমিতিখন ভংগ কৰি দিয়াৰ লগে লগে সমিতিখনৰ আন সদস্য/সদস্যা সকলৰো কাৰ্যকাল শেষ হব আৰু উক্ত সভাতেই সমিতিখন পুনৰ গঠন কৰা হব।

২) উপসমিতি বিলাকৰো কাৰ্যকাল এবছৰীয়া হব। কেন্দ্ৰীয় সমিতিৰ ভংগৰ লগে লগে উপসমিতিখনো ভংগ হৈ যাব আৰু একেদিনাই কেন্দ্ৰীয় সমিতিৰ কাৰ্যসূচীৰ লগতে উপসমিতি কেইখন গঠন কৰা হব।

৩) মুখ্য সমন্বয়ক বা সভাপতিৰ কাম-কাজত বিতুষ্ট হলে সদস্য সকলে অনাস্থা প্ৰস্তাবৰ যোগেদি পদৰ পৰা বৰ্খাস্ত কৰিব পাৰিব।

৪) নিজৰ কাৰ্যকালৰ আধাতে কোনো সদস্য সদস্যাই পদত্যাগ কৰিলে বা মৃত্যু হলে খালী পদটো সমূহীয়া সিদ্ধান্তৰ যোগেদি পূৰণ কৰিব পাৰিব। সভা অনুষ্ঠিত কৰাৰ থুল ৫০ শতাংশ।

৫) ৩ নং আৰু ৪ নং সিদ্ধান্ত গ্ৰহণ কৰিবলৈ সভাখনত এক তৃতীয়াংশ সদস্যৰ সন্মতি থাকিব লাগিব।

৬) ১ নং আৰু ২ নং সিদ্ধান্ত সমূহ বিদ্যালয়ৰ বাৰ্ষিক অধিবেশনত গ্ৰহণ কৰা হব।

**তথ্য ব্যৱস্থাপনা ঃ-**

এই সমিতিখনে তলত উল্লেখ কৰা বিষয় বা তথ্য সমূহ মজুত কৰি ৰখাটো বাঞ্ছনীয়।

ক) অংশগ্ৰহণপূৰ্ণ হ্ননীয় বিশ্লেষণৰ নবীকৰণৰ খতিয়ান। (Update PVA Reports)

খ) বিদ্যালয়ৰ সম্পদৰ তালিকা

গ) সভাসমূহৰ সিদ্ধান্ত সমূহ লিখা বহী

ঘ) বেংকৰ পাছবুক

ঙ) ছাত্র-ছাত্রীৰ সংক্ষিপ্ত বিৱৰণ

চ) জৰুৰী অৱস্থাত পোৱা যোগাযোগৰ নম্বৰ।

ছ) ঋতুকালীণ মানচিত্র।


**খতিয়ান ঃ** (Reporting)

এই সমিতিখনে প্ৰদান কৰা সকলো কাম-কাজৰ এটি থুলমুল খতিয়ান বা টোকা লিখি থব লাগিব। প্ৰতিজন সদস্যই কামৰ খতিয়ান তলত উল্লেখ কৰা ধৰণে টোকা বহীত লিখি থব লাগিব। বিদ্যালয়খনত হোৱা যিকোনো সৰু-ডাঙৰ দুৰ্যোগৰ বিষয়েও এই বহীখনত লিখি থোৱাৰ ব্যৱস্থা কৰিব লাগে।

| কোনে | কি হ'ল | কেতিয়া হ'ল | কেনেকৈ হ'ল |
|---|---|---|---|
| | | | |

## যোগাযোগ ব্যৱস্থাপনা ঃ

গ্ৰাম্য বিকাশ মঞ্চই ৰূপায়িত কৰা প্ৰকল্পটোৰ লগত সংগতি ৰাখি গঠন কৰা এই সমিতিখনে, সমাজখনে দুৰ্যোগ বিষয়ত সন্মুখীন হোৱা বিভিন্ন সমস্যা বা সাম্ভাব্য বিভিন্ন বিভাগৰ লগত যোগাযোগ ৰক্ষা কৰিব লাগিব। তেতিয়াহে সমিতি তথা প্ৰকল্পটোৰ প্ৰকৃত লক্ষ্যটো পূৰ্ণ হব। দুৰ্যোগ বিষয়টোৰ ব্যপকতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ স্থয়িত্ব ও ব্যপক হব লাগিব। সমিতিখন তেতিয়াহে চিৰস্থায়ী হব। তেতিয়া সমিতিখনে নিজৰ কাৰ্যপন্থা অকল গ্ৰাম্য বিকাশ মঞ্চৰ সৈতে জড়িত নকৰি চৰকাৰী কৰ্তৃপক্ষইৰ সৈতেও যোগাযোগ কৰে। সমিতিখনৰ যোগাযোগ ব্যৱস্থা তলত উল্লেখ কৰা হ'ল।




বিদ্যালয় সমূহৰ দূৰ্যোগ ব্যৱস্থাপনা সমিতিখনক বিদ্যালয়ৰ লগত জড়িত সকলো ব্যক্তিক সামৰি লোৱা হব।

বিদ্যালয়ত যিহেতু কণ কণ ছাত্ৰ-ছাত্ৰী সকল অধিকাংশ সময় অভিভাৱকৰ চকুৰ আঁতৰত থাকে গতিকে এই প্ৰশ্ন হয় যে আমাৰ বিদ্যালয় গৃহটো কিমান নিৰাপদ? আমাৰ শিশুসকল এই বিদ্যালয় গৃহত কিমান নিৰাপদ?

প্ৰতিখন গাঁৱতে এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, সমতাপূৰ্ণ আৰু শোষণ মুক্ত সমাজ গঢ়া'ৰ লক্ষ্যৰে ১৯৯৯ চনত জন্ম হোৱা 'গ্ৰাম্য বিকাশ মঞ্চ' এটি বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থা। জন্মলগ্নৰে পৰা 'গ্ৰাম্য বিকাশ মঞ্চ'ই সমাজৰ বঞ্চিত সকল বিশেষকৈ মহিলা সকলক আৰ্থসামাজিক সৱলীকৰণৰ জৰিয়তে সমাজ পৰিৱৰ্তনৰ দায়িত্ব ল'ব পৰাকৈ উপযুক্ত কৰা আৰু তাৰ জৰিয়তে এনে এখন সমাজ সৃষ্টি কৰা য'ত তেওঁলোক মৰ্য্যাদা সহ জীয়াই থাকিব পাৰে, তেনে উদ্দেশ্যৰে সেৱা আগবঢ়াই আছে। অনুষ্ঠানটোত প্ৰায় পাঁচ শতাধিক স্বেচ্ছাসেৱিকা স্বেচ্ছাসেৱকে বিভিন্ন উন্নয়নমূলক কাৰ্য্যত প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। নলবাৰী, বাগসা, বৰপেটা আৰু কামৰূপ (গ্ৰামীন) জিলাৰ বিভিন্ন প্ৰান্তত অনুষ্ঠানটোৱে সেৱা আগবঢ়াই আছে। গ্ৰাম্য বিকাশ মঞ্চৰ মুখ্য কাৰ্য্যালয় ১নং বৰধনৰা, পোঃ অঃ দক্ষিণগাঁও, পিন- ৭৮১ ৩৫০ , জিলা- নলবাৰী (অসম)ত অৱস্থিত। 'দুৰ্যোগ'ৰ মুহূৰ্তত সহায়ৰ বাবে গ্ৰাম্য বিকাশ মঞ্চৰ 'জৰুৰী সেৱা'ৰ বাবে ০৩৬২৪-২৮৩৭৪০ অথবা ৯৮৬৪২৯২৮০৮/৯৮৬৪৩৫৪৮৮৮/৯৭০৭০৯২০৯৯/৯৮৬৪০৩৭১০৫ আৰু ই মেইল gvm_ngo@ sify.com ত যোগাযোগৰ সুবিধা আছে।

**আহক, দুৰ্যোগ প্ৰশমনৰ বাবে একেলগে আগবাঢ়ো।**

গ্ৰাম্য বিকাশ মঞ্চ'ৰ ডেভ্‌ল'পমেন্ট কমিউনিকেচন চেল'ৰ দ্বাৰা ইকো আৰু একচন এইডৰ অৰ্থ সাহায্যত প্ৰকাশিত ও প্ৰচাৰিত।

প্ৰস্তুতি- কমল কিশোৰ হাজৰিকা আৰু মঃ মজাম্মিল হুছেইন
সম্পাদনা- প্ৰদীপ মহন্ত
অক্ষৰ বিন্যাস- অৰূপ শৰ্মা আৰু চফিউল আহমেদ
বিশেষ কৃতজ্ঞতা- পৃথ্বিভূষণ ডেকা, আব্দুল হাচিব আৰু দিবাকৰ ডেকা

(কেৱল ব্যক্তিগত সীমিত বিতৰণৰ বাবে)